**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 7-12-2024 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## Headlines

১। চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ।

২। ৰাজ্যত ৬ জানুৱাৰীৰ পৰা তিনিটা পৰ্যায়ত হ'বলগীয়া গুণোৎসৱত ৩৫খন জিলাৰ ৪৪ হাজাৰ ৯৪ খন বিদ্যালয়ৰ মুঠ ৩৯ লাখ ৬৫ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ মূল্যায়ন।

৩। পাণ্ডু, ধুবুৰী, বগীবিল আৰু যোগীঘোপাত স্থায়ী কেন্দ্ৰ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৪। ৰাজ্যজুৰি এশদিনীয়া যক্ষ্মা নিৰ্মূল অভিযানৰ আজি শুভাৰম্ভ। শুভাৰম্ভনি অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ অংশগ্ৰহণ।

*আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টত আজি অষ্ট্ৰেলিয়াৰ কালি সংগ্ৰহ কৰা ৮৬ ৰানৰ পৰা খেল আৰম্ভ।

০০০০০০

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১২ বজাত আয়োজিত এটা অনুষ্ঠানত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাক শপতবাক্য পাঠ কৰাব। শপতগ্ৰহণ অনুষ্ঠানৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। শপতগ্ৰহণৰ পাছত আজি সন্ধিয়াৰ ভিতৰত মন্ত্ৰীৰ বিভাগসমূহ ঘোষণা কৰাৰ সম্ভাৱনা আছে।

০০০০০০

ৰাজ্যত ৬ জানুৱাৰীৰ পৰা তিনিটা পৰ্যায়ত গুণোৎসৱ ২০২৫ অনুষ্ঠিত হ'ব। এইবাৰৰ গুণোৎসৱত ৰাজ্যৰ ৩৫খন জিলাৰ ৪৪ হাজাৰ ৯৪ খন বিদ্যালয়ৰ প্ৰথমৰ পৰা নৱম শ্ৰেণীৰ মুঠ ৩৯ লাখ ৬৫ হাজাৰৰো অধিক শিক্ষাৰ্থীক সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ত ১১ খন জিলা ক্ৰমে বৰপেটা, বজালী, শ্ৰীভূমি, কামৰূপ, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, দক্ষিণ শালমাৰা মানকাচৰ আৰু ওদালগুৰি জিলাত গুণোৎসৱ অনুষ্ঠিত কৰা হ'ব। ৬ জানুৱাৰীত স্বমূল্যায়ন আৰু ৭ৰ পৰা ৯ জানুৱাৰী বহিঃমূল্যায়নৰ দিন ধাৰ্য্য কৰা হৈছে। ১৭ জানুৱাৰীত দ্বিতীয় পৰ্যায়ত বাক্সা, চিৰাং, চৰাইদেউ, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং জিলা সামৰি লোৱা হ'ব। এই পৰ্যায়ৰ বাবে ১৭ জানুৱাৰীত স্বমূল্যায়ন আৰু ২০ৰ পৰা ২২ জানুৱাৰীত বহিঃমূল্যায়ণ

কৰা হ'ব। ৫ ফেব্ৰুৱাৰীত তৃতীয় পৰ্যায়ত বঙাইগাঁও, বিশ্বনাথ, দৰং, ডিব্ৰুগড়, গোৱালপাৰা, কাছাৰ, নলবাৰী, মৰিগাঁও, ডিমা হাছাও আৰু মাজুলীত এই ১০ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। ৫ ফেব্ৰুৱাৰীত এই জিলাকেইখনৰ বিদ্যালয়ৰ স্বমূল্যায়নৰ আৰু ৬ৰ পৰা ৮ ফেব্ৰুৱাৰীত বহিঃমূল্যায়নৰ দিন ধাৰ্য্য কৰা হৈছে। ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত গুণোৎসৱ ম'বাইল এপ আৰু প'ৰ্টেল মুকলি কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে গুগল প্লেষ্টোৰৰ পৰা ডাউনলোড কৰিব পৰা এই এপত উইনিফৰ্মৰ মূল্যায়নকে ধৰি বহিঃমূল্যায়নকাৰী সকলৰ সকলো পৰ্যৱেক্ষণ প্ৰতিবেদনৰ ৰূপত অন্তৰ্ভুক্ত হ'ব। প'ৰ্টেল আৰু ম'বাইল এপটোৱে বহিঃমূল্যায়নকাৰী আৰু প্ৰধান শিক্ষকে হাতেৰে কৰিবলগা কাম বহুখিনি লাঘব কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। গুণোৎসৱ স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰি ডাঃ পেগুৱে কয়, যে মূল্যায়নকাৰীসকলৰ পৰা এই ক্ষেত্ৰতো এটা মূল্যায়ন বিচৰা হৈছে। এইবেলি বিদ্যালয় এখনে স্বচ্ছ-নিকাভাৱে মূল্যায়ন কৰাৰো স্বীকৃতি দিয়া হ'ব আৰু বিদ্যালয় এখনৰ গ্ৰেডিঙৰ ক্ষেত্ৰত অনুপস্থিত ছাত্ৰ-ছাত্ৰীৰ বিষয়টোও সামৰি লোৱা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে মূল্যায়ন পৰিচালনাত অধিক স্বচ্ছতা দেখুওৱা জিলাসমূহক বঁটা প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত আমূল পৰিৱৰ্তন ঘটিছে আৰু অঞ্চলটো নতুন শক্তি সম্ভাৱনাৰে উজ্বলি উঠিছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এখন সংবাদমেল সম্বোধন কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ২০১৪ চনৰ পৰা অঞ্চলটোৰ বাবে বাজেট ব্যয় ৩০০ শতাংশতকৈও অধিক বৃদ্ধি হৈছে। তেওঁ লগতে কয়, যে ২০১৪ চনত অঞ্চলটোৰ বাবে বাজেটত ৩৬ হাজাৰ ১০৮ কোটি টকা ব্যয় কৰা হৈছিল আৰু ২০২৩-২৪ বিত্তিয় বৰ্ষত অঞ্চলটোৰ বাবে বাজেট ব্যয় ৯৪ হাজাৰ ৬৮০ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। অঞ্চলটোত আন্তঃগাঁথনি উন্নয়নৰ বাবে ধাৰ্য্য কৰা ধনৰ পৰিমানো ২৬ গুণ বৃদ্ধি কৰা হৈছে বুলি শ্ৰী সোণোৱালে জানিবলৈ দিয়ে। তেওঁ কয়, যে যাতায়াতৰ যোগাযোগ ব্যৱস্থাৰ উন্নয়নৰ উদ্দশ্যে বছৰি ১৯৩ কিলোমিটাৰৰো অধিক ৰে'লপথ সম্প্ৰসাৰিত কৰা হৈছে। অঞ্চলটোৰ বাবে ৰে'ল বাজেট ৩৭০ শতাংশলৈ বৃদ্ধি হৈছে বুলি শ্ৰী সোণোৱালে উল্লেখ কৰে। তেওঁ কয়, যে অঞ্চলটোত ব্ৰডগজৰ ১০০ শতাংশ বৈদ্যুতিকীকৰণৰ পূৰ্ণগতিত অব্যাহত আছে। তেওঁ লগতে সাত হাজাৰৰো অধিক গাঁৱত পাইপ যোগে খোৱাপানীৰ সুবিধা প্ৰদান কৰা বুলিও জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয়, যে অঞ্চলটোত চাৰি হাজাৰ ১৬ কিলোমিটাৰৰো অধিক পথ প্ৰকল্প চলি আছে। জলপথ পুনৰুজ্জীৱিতকৰণৰ বাবে হাতত লোৱা কামৰ কথা উল্লেখ কৰি শ্ৰী সোণোৱালে কয়, যে দুই নম্বৰ ৰাষ্ট্ৰীয় জলপথ অৰ্থাৎ ব্ৰহ্মপুত্ৰক বংগোপসাগৰৰ জৰিয়তে বিশ্বৰ সৈতে বাণিজ্যৰ বাবে ব্যৱহাৰ কৰাৰ প্ৰয়াস কৰা হৈছে। তেওঁ কয়, যে আন্তঃগাঁথনিৰ বাবে পাণ্ডু বন্দৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো জাহাজ মেৰামতি কেন্দ্ৰ নিৰ্মাণৰ কাম চলি আছে। পাণ্ডু বন্দৰৰ পৰা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এটা পথ নিৰ্মাণৰো কাম অব্যাহত আছে বুলি তেওঁ জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে পাণ্ডু, ধুবুৰী, বগীবিল আৰু যোগীঘোপাত স্থায়ী কেন্দ্ৰ নিৰ্মাণৰ লগতে বহুমুখী যোগীঘোপা কেন্দ্ৰ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত বুলি প্ৰকাশ কৰে।

০০০০০০

দেশত যক্ষ্মা ৰোগত আক্ৰান্ত আৰু এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস কৰাৰ উদ্দেশ্যে দেশজুৰি কেন্দ্ৰীয় চৰকাৰে যক্ষ্মা ৰোগ নিৰ্মূলৰ বাবে এশদিনীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে। সেই অনুসৰি ৰাজ্যজুৰি যক্ষ্মা নিৰ্মূল অভিযানৰ আজি শুভাৰম্ভ কৰা হ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত হ'বলগীয়া এই শুভাৰম্ভনি অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য উপস্থিত থকাৰ লগতে বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু অতুল বৰাইও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অভিযানৰ অধীনত ৰাজ্যৰ ১৭ খন জিলাক অন্তৰ্ভুক্ত কৰা হৈছে।

আনহাতে, কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই যক্ষ্মা ৰোগ আৰু ইয়াৰ ফলত হোৱা মৃত্যু ৰোধ কৰাৰ উদ্দেশ্যে আজি হাৰিয়ানাৰ পঞ্চকুলৰ পৰা ১০০ দিনীয়া যক্ষ্মা নিৰ্মূলকৰণ অভিযান আৰম্ভ কৰিব। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়ব সিং আৰু স্বাস্থ্যমন্ত্ৰী আৰতি সিং ৰাও এই অনুষ্ঠানত উপস্থিত থাকিব। দেশৰ ৩৩ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৩৪৭ খন জিলাত এই অভিযান ৰূপায়ণ কৰা হ'ব। অভিযানৰ সময়ছোৱাত যক্ষ্মা ৰোগৰ চিনাক্তকৰণ, চিকিৎসাত হোৱা বিলম্ব হ্ৰাস কৰা আৰু বিশেষকৈ অধিক বিপদৰ আশংকা থকা ব্যক্তিৰ চিকিৎসাত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৮৫ খন নতুন কেন্দ্ৰীয় বিদ্যালয় আৰু ২৮ খন নতুন নৱোদয় বিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত অসমৰ জাগীৰোডত এখন কেন্দ্ৰীয় বিদ্যালয় আৰু শোণিতপুৰ, চৰাইদেউ আৰু দক্ষিণ শালমৰা মানকাচৰ, পশ্চিম কাৰ্বি আংলং আৰু মাজুলীত নতুনকৈ নৱোদয় বিদ্যালয় স্থাপন কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইকথা সদৰি কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই নতুন কেন্দ্ৰীয় বিদ্যালয়সমূহ স্থাপনৰ ফলত প্ৰায় ৮২ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীয়ে বহনসাধ্য উচ্চ মানৰ শিক্ষা লাভ কৰিবলৈ সমৰ্থ হব। এই সিদ্ধান্তৰ ফলত ৫ হাজাৰ ৩৮৮ টা নিয়মীয়া পদ সৃষ্টি হব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

শ্ৰীবৈষ্ণৱে লগতে নৱোদয় বিদ্যালয় আঁচনিৰ অধীনত ইতিমধ্যে সামৰি নোলোৱা জিলাসমূহত ২৮ খন নতুন নৱোদয় বিদ্যালয় মুকলি কৰা কথা ঘোষণা কৰে। ইয়াৰ ফলত ১৫ হাজাৰ ৬৮০ গৰাকীৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব আৰু এহেজাৰ ৩১৬টা নিয়মীয়া পদ সৃষ্টি হ'ব। এই নৱোদয় বিদ্যালয় কেইখন স্থাপন কৰাৰ বাবে আনুমানিক দুহেজাৰ ৩৫৯ কোটি ৮২ লাখ টকাৰ প্ৰয়োজন হ'ব। দেশত বৰ্তমান ৬৬১ খন

অনুমোদিত নৱোদয় বিদ্যালয় আছে আৰু ইয়াৰ ভিতৰত ৬৫৩ খন কাৰ্যক্ষম হৈ আছে। তেওঁ কয়, যে সকলো কেন্দ্ৰীয় বিদ্যালয় আৰু নৱোদয় বিদ্যালয় প্ৰধানমন্ত্ৰী শ্ৰীবিদ্যালয় হিচাপে নামকৰণ কৰা হৈছে।

oooooo

## NEWS REVIEW

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে ৰাজ্যৰ চাৰিগৰাকী বিধায়কৰ মন্ত্ৰী হিচাপে শপতগ্ৰহণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অষ্টলক্ষ্মী মহোৎসৱ উদ্বোধন কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে সাংসদ অভিষেক মনু সিংভীৰ আসনৰ পৰা টকাৰ বাণ্ডিল উদ্ধাৰ হোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিক আমাৰ অসম, দৈনিক জনমভূমি, অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতে বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ নতুনকৈ দায়িত্ব লাভ কৰা উদেষ্টা তথা নিষিদ্ধ মৌলবাদী সংগঠন হিজবুত তেহেৰিৰ শীৰ্ষ নেতা মাহফুজ আলামে ভাৰত-বাংলাদেশৰ মাজৰ সচিব পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব নিদিয়ে বুলি দিয়া হুংকাৰৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে জনজাতি কৰণৰ দাবীত টাই আহোম জনগোষ্ঠীয় সংগঠনে দিল্লীৰ যন্তৰ-মন্তৰত প্ৰতিবাদ সাবস্ত কৰা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতে বড়োলেণ্ড স্বায়ত্ব শাসিত পৰিষদকে ধৰি ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পৰিষদসমূহক শক্তিশালী কৰি তোলা হ'ব বুলি কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বি টি আৰ প্ৰধান প্ৰমোদ বড়োৰ নেতৃত্বৰ এটা সজাতি দলক দিয়া আশ্বাসৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰি আন কেইবাখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে ভাৰত বাংলাদেশ সীমান্তৰ কুচিয়াৰা নদীৰ পাৰৰ ভাৰতীয় ভূখণ্ডত অৱস্থিত এটা মনসা মন্দিৰৰ আধুনীকিকৰণৰ কামত বাংলাদেশৰ সীমান্তৰক্ষী বাহিনীয়ে বাধা প্ৰদান কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নামত দিল্লীৰ এটা পথৰ নামকৰণ হ'ব শিৰোনামেৰেৰে এবছুৰ ৫৭ সংখ্যক কোকৰাঝাৰ অধিৱেশনলৈ অমিত শ্বাহক নিমন্ত্ৰণ জনোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে সাংসদৰ উন্নয়ন পুঁজি কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষে অভিযোগনামা দাখিল কৰা বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতে সেনাবাহিনীয়ে পূব খণ্ডত ড্ৰোণ যুদ্ধৰ অনুশীলন চলোৱাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্যা ছেণ্টিনেল কাকতে খাদ্য, সুৰক্ষা আৰু মান প্ৰাধীকৰণে বটলত থকা খোৱাপানীক উচ্চ বিপদ আশংকাৰ খাদ্য হিচাপে শ্ৰেণীভুক্ত কৰাৰ বাতৰি প্ৰথম পৃষ্ঠাত ফটোসহকাৰে প্ৰকাশ কৰিছে।

আহক এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

পলাশবাৰীৰ সৈতে শুৱালকুছিৰ সংযোগ স্থাপনৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া চাৰিলেনযুক্ত দলঙৰ কাইলৈ ভূমিপূজন কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব। ১২ দশমিক ২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনৰ মুঠ ব্যয় ৩ হাজাৰ ১৯৭ দশমিক ২০ কোটি টকা ধাৰ্য কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে চাহ বাগিচা অঞ্চলৰ বিদ্যালয়ৰ সময়সূচী কিছু সালসলনি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি চাহ বাগিচা অঞ্চলৰ নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰিৱৰ্তে চাৰে ৮ বজাত আৰম্ভ হ'ব। একেদৰে ছুটীৰ সময় ১২ বাজি ১৫ মিনিটৰ পৰিৱৰ্তে ১ বাজি ১৫ মিনিটলৈ বৃদ্ধি কৰা হৈছে। একেদৰে উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদান চাৰে ৭ বজাৰ পৰিৱৰ্তে চাৰে আঠ বজাত আৰম্ভ হ'ব আৰু ছুটীৰ সময় পূৰ্বৰ এক বজাৰ সলনি দুই বজাত হ'ব। ইতিমধ্যে ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকে সকলো জিলা শিক্ষা বিষয়ালৈ জাননী জাৰি কৰি শীঘ্ৰে এই সময়সূচী কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০

**ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টত আজি অষ্ট্ৰেলিয়াই কালি ১ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা৮৬ৰাণৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। এডিলেইড অ'ভেলত অনুষ্ঠিত খেলখন আজি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব । কালি খেল শেষ হোৱাৰ সময়ত নাথান মেকছুইনী আৰু মাৰ্নাছ লাবুশ্বেন ক্ৰীজত আছিল। আয়োজক দল অষ্ট্ৰেলীয়া এতিয়া ভাৰতৰ প্ৰথম ইনিংছতকৈ ৯৪ ৰানত পিছ পৰি আছে ।ইয়াৰ পূৰ্বে ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মাই টছত জিকি বেটিং কৰাৰ সিদ্ধান্ত লৈছিল। অৱশ্যে ১৮০ ৰাণতে আটাইকেইটা উইকেট হেৰুৱাই ভাৰতে প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ নিতীশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৪২ ৰান সংগ্ৰহ কৰে। উল্লেখযোগ্য যে ভাৰতে পাৰ্থত অষ্ট্ৰেলিয়াক ২৯৫ ৰাণত পৰাস্ত কৰি শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে।**

০০০০০০

বতৰৰ বতৰা–

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে আজি পাতলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। অৰুণাচল প্ৰদেশৰ ওখ পাহাৰীয়া ঠাইসমূহত তুষাৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। অহা ২৪ ঘণ্টাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে আজি কুঁৱলী পৰাৰো সম্ভাৱনা আছে।

কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৬ ডিগ্ৰী ছেলছিয়াছ।

আজি গুৱাহাটীৰ তাপমাত্ৰাৰ বিশেষ তাৰতম্য নহয়। আনহাতে, উজনি অসমৰ উত্তৰ লখিমপুৰ নগৰত কালি উত্তৰ-পূৰ্বাঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰা ৯ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ্ ৰেকৰ্ড কৰা হয়।

০০০০০০০

**সমাপ্ত**